# বিষয় ঃ ভাষা বিজ্ঞানৰ শাখা- প্ৰশাখা

## (Branches of Linguistics)

দ্বিতীয় ষান্মাসিক

বুনিয়াদী পাঠ্য

ASM-HC-2016

প্ৰস্তুতকৰ্তা ঃ

মল্লিকা বৰা

অসমীয়া বিভাগ

ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

## আৰম্ভণি ঃ

প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰি পোৱা যি কোনো জ্ঞান বা জ্ঞানৰ শাখাক বিজ্ঞানৰ শাৰীত পেলাব পাৰি। বিজ্ঞানত কল্পনাৰ সহায় লৈ নাইবা ভাৱপ্ৰৱণভাবে কোনো কথা প্ৰমাণ কৰিবলৈ যোৱা সম্ভৱ নহয় । বাহিৰত দেখা অসংলগ্ন আৰু বিশৃঙ্খল যেন বোধ হোৱা কোনো বস্তু, কাৰ্য, দৃশ্য নাইবা ঘটনাৰ বিশ্লেষণৰ দ্বাৰা, তথ্যপাতিৰে প্ৰমাণিত হোৱা প্ৰণালীবদ্ধ আলোচনাক বিজ্ঞান আখ্যা দিয়া হয়।

প্ৰত্যেক ভাষাৰ একোটা প্ৰণালী আছে। এই প্ৰণালীক তিনিটা ৰূপত পোৱা যায়- (ক) ধ্বনিৰ ক্ষেত্ৰত (খ) ধ্বনি সংযোগ বা আকৃতি বা ৰূপত আৰু (গ) অৰ্থৰ ক্ষেত্ৰত

ভাষাৰ বিভিন্ন ক্ষেত্ৰত এই প্ৰণালীবোৰৰ অধ্যয়নৰ বাবে ভাষাবিজ্ঞানক ধ্বনিবিজ্ঞান, বিশিষ্টধ্বনি-বিজ্ঞান বা ধ্বনিগ্ৰাম-বিজ্ঞান, ৰূপগ্ৰাম-বিজ্ঞান, বাক্য-বিন্যাস বিজ্ঞান, অৰ্থ-বিজ্ঞান আদি কেইবাটাও ভাগত ভগোৱা হৈছে। ভাষা বিজ্ঞানৰ এই কেইটা প্ৰধান অংগ।

সাধাৰণতে ভাষাৰ বিজ্ঞান সন্মত বিশ্লেষকে ভাষা-বিজ্ঞান বুলি কোৱা হয়। ভাষা বিজ্ঞানৰ বিষয়বস্তু অনুসৰি ইয়াৰ প্ৰধানকৈ তিনিটা শাখাৰ বিষয়ে উল্লেখ কৰিব পাৰি যেনে-

ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)

খ) ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics)

গ) তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics)

আৰু বৈপৰিত্যমূলক ভাষাবিজ্ঞান(Contrastive Linguistics)

১) বৰ্ণনাত্মক ভাষাবিজ্ঞান হ'ল কোনো এটা ভাষাৰ কোনো এটা নিৰ্দিষ্ট সময়ৰ মাতৃভাষী লোকসকলে ব্যৱহাৰ কৰা ভাষাৰ সুক্ষ্মভাৱে কৰা শৃঙ্খলাবদ্ধ বিশ্লেষণ।

২) কোনো এটা ভাষাৰ সময়ৰ লগে লগে হোৱা পৰিবৰ্তন, ভাষাটোৱে কোনটো স্তৰত কেনে ৰূপ লাভ কৰিছে, পৰিবৰ্তনৰ কাৰণ, পৰিবৰ্তনৰ ফল আদিৰ বিষয়ে কৰা বিশ্লেষণক ঐতিহাসিক ভাষাবিজ্ঞান বুলি কোৱা হয়।

৩) দুটা বা তাতকৈ অধিক ভাষাৰ গঠন প্ৰণালীৰ তুলনা দাঙি ধৰা আলোচনাক তুলনামূলক ভাষাবিজ্ঞান বোলে।

## ভাষাবিজ্ঞানৰ অন্যান্য শাখা সমূহ ঃ

ক) সমাজ ভাষাবিজ্ঞান (Socio-linguistics)

খ) মনো ভাষাবিজ্ঞান (Psycho-linguistics)

গ) প্রায়োগিক ভাষাবিজ্ঞান (Applied Linguistics)

ঘ) নৃতাত্বিক ভাষাবিজ্ঞান (Anthropological Linguistics)

ঙ) ভূ-ভাষাবিজ্ঞান (Geographical Linguistics)

চ) স্নায়বিক ভাষাবিজ্ঞান (Neuron-linguistics)

যিজনে ভাষাক প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰি আলোচনা কৰে তেওঁক ভাষাবিজ্ঞানী বোলা হয়। কোনো এঠাইৰ ভাষাত থকা যিকোনো পাৰ্থক্যৰ অৱস্থিতি আৰু প্ৰকাৰ, সিহঁতৰ বিস্তাৰ আদি অধ্যয়ন ভাষা ভূগোলৰ অন্তৰ্গত। ভাষা ভূগোলক ক্ষেত্ৰীয় ভাষা বিজ্ঞান বুলিও কোৱা হয়।